

ভাৰতৰ স্বাধীনতা আন্দোলনত মনিৰাম দত্তবৰুৱাৰ ভূমিকা

আৰম্ভণি : ভাৰতৰ স্বাধীনতা আন্দোলন বুলিলে দক্ষিণ এছিয়াৰ একাংশত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু পাছৰ ছোৱাত ব্ৰিটিছ চৰকাৰৰ শাসনৰ প্ৰতিবাদ কৰি তেওঁলোকৰ শাসনভাৰ এৰি গুচি যাবলৈ দাবীৰ ~~প্ৰতিপ্ৰা~~ পৰিপ্ৰেক্ষিতত তৎকালীন ব্ৰিটিছ শাসনৰ বিৰোধিতাত উদ্বুদ্ধ ~~হৈ~~ বিভিন্ন ৰাজনৈতিক দৰ্শন আৰু আন্দোলনকে বুজা যায়। এই আন্দোলন ভাৰতত ১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে চলিছিল। এই স্বাধীনতা আন্দোলনৰ ফলশ্ৰুতিতে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। ১৮৫৭ চনত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ পৰা মনিৰাম দত্তবৰুৱাৰ, চমুকৈ মনিৰাম দেৱানৰ ভূমিকা অপৰিসীম। মনিৰাম দেৱান, ভাৰতৰ স্বাধীনতা আন্দোলনত ~~অং~~ ওতঃপোতঃ ভাৱে জড়িত থকা মূল নায়ক আছিল।

মনিৰাম দত্তবৰুৱাৰ জন্ম, পৰিচয় :-

মনিৰাম দত্তবৰুৱাৰ জন্ম হৈছিল ১৮০৬ চনৰ ২৭ এপ্ৰিল তাৰিখে ঐতিহাসিক শিৱসাগৰ জিলাৰ চাৰিঙত।

তেমেতৰ পিতৃৰ নাম আছিল বামদত্ত দেলাকাহৰীয়া বৰুৱা আৰু মাতৃৰ নাম হৈমলতা। মনিৰাম দত্তবৰুৱাৰ পিতৃ আছিল অহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দেলাকাহৰীয়া বৰুৱা। মনিৰাম দেৱানৰ পূৰ্বপুৰুষ আছিল অত্যন্ত সম্ভ্ৰান্ত। তেমেতৰ কিছুমান নিজা গুণ আছিল। সেইসমূহ আছিল তেওঁৰ চতুৰতা, ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষেত্ৰত দক্ষতা। এই গুণৰেইবাৰে তেমেতে অতি সোনকালেই ব্ৰিটিছৰ উচ্চপদস্থ বিষয়াৰ কাম চাবিবলৈ সক্ষম হৈছিল।

ব্ৰিটিছ প্ৰশাসনৰ অলত মনিৰাম দেৱানৰ কৰ্মজীবন:—

প্ৰথম ইংৰাজ বৰ্মী যুদ্ধৰ সময়ছোৱাত চেৰিডে দ্বিতীয় ঘোষণা মানক পৰাস্ত কৰিবলৈ অসমলৈ আহিছিল জেইকামমুত চেৰিড স্কটৰ সঙ্গ পাম পদৰ্পণ আছিল মনিৰাম দেৱান কিয়নো যুদ্ধৰ দুগোল সম্পৰ্কে মনিৰাম দেৱানৰ যথেষ্ট জ্ঞান আছিল। অহোম ৰাজবিষয়াৰ পৰা ব্ৰিটিছৰ বিশ্বাস হোৱা প্ৰথমজন অসমীয়া শিক্ষিত ব্যক্তি আছিল মনিৰাম দত্তবৰুৱা। তেমেতেই প্ৰথম চাহুখেতি আৰম্ভ কৰে অসমৰ প্ৰথমজন উদ্যোগপতি হিচাপে পৰিগণিত হৈছিল। পোন প্ৰথমে মনিৰাম দেৱানে ইংৰাজৰ অধীনত "দেৱানৰ" চাকৰি কৰিছিল। কিন্তু পাছলৈ 'দেৱান' চাকৰিৰ

ইস্তাফা দি যোৰহাটৰ ওচৰৰ 'চিনামৰা' আৰু 'চেলেঙ'ত নিজাকৈ দুখন চাহ বাগিচা খুলি প্ৰথম অসমীয়া তথা ভাৰতীয় চাহ খেতিয়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। কিন্তু চাহ খেতিয়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰা মনিৰাম দেৱানৰ এই ব্যৱসায়ক সহজভাৱে ল'ব নোৱাৰি ইংৰাজে বিভিন্ন প্ৰকাৰে তেওঁক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে, ১৮৫৭ চনৰ স্বাধীনতা আন্দোলনৰ সুযোগ গ্ৰহণ কৰি মনিৰাম দেৱানে অসমতো ~~স্বাধীনতা~~ সংগ্ৰামৰ প্ৰস্তুতি চলাইছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত মনিৰাম দত্তবৰুৱাৰ ভূমিকা:-

১৮২৬ চনৰ পৰা ২৫ বছৰ কাল ইংৰাজ সকলে অসম এৰি যাব বুলি দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ কোনো চিন নেদেখি মনিৰাম দেৱান চিন্তিত আৰু অতিষ্ঠ হৈ পৰিছিল। তেনে সময়তেই চিপাহী বিদ্ৰোহৰ অগ্নি সমগ্ৰ ভাৰতবৰ্ষৰ চাৰিওফালে বিয়পি পৰিছিল। ১৮৫৩ চনত কলিকতাৰ সদৰ আদালতৰ জৰ্জ এজে মফট মিলচ অসমলৈ আঁহোতে মনিৰাম দত্তবৰুৱাই দিয়া অভিযোগৰ আবেদনৰ কোনো সঁহাৰি নাপাই তেওঁ নিজেই কলিকতালৈ যাত্ৰা কৰে। তেওঁ অসমৰ পৰা ইংৰাজ চৰকাৰক একেবাৰে আঁতৰ কৰি পঠোৱাৰ মানস কৰিছিল।

মনিৰাম দত্তবৰুৱাই কলিকতাৰ পৰাই ভাৰতৰ আন ঠাইৰ পৰা ইংৰাজ খেদাৰ আন্দোলনৰ বিৱৰণ দি স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহলৈ বাতৰি পঠাইছিল। বাতৰি পাই অসমত ইংৰাজৰ বিৰুদ্ধে বিপ্লৱৰ পূৰ্ণগতিত যো-জা চলিছিল। কিন্তু তেনে সময়তে মনিৰাম দেৱানে পঠোৱা চিঠিকেই মনমান শিৱসাগৰ জিলা বিষয়া কেপ্তেইন চাৰ্লছ হলৰয়ডে হস্তগত কৰাত ইংৰাজসকল অধিক সজাগ হৈ পৰিল আৰু লগে লগে মনিৰাম দেৱানক কলিকতাতে আটক কৰা হ'ল।

এই ষড়যন্ত্ৰ সম্পৰ্কে বিচাৰ কৰিবলৈ ১৮৫৭ চনৰ (Act 14)ৰ অধীনত কেপ্তেইন হলৰয়ডক বিশেষ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয় আৰু ১৮৫৮ চনৰ ২৩ ফেব্ৰুৱাৰীত মনিৰাম দেৱানৰ বিচাৰ আৰম্ভ হয়। বিচাৰত ৰাজদ্ৰোহীতাৰ অপৰাধত মনিৰাম দত্তবৰুৱাৰ লগতে পিয়লি বৰুৱাকো দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড হিচাপে ফাঁচীৰ হুকুম দিয়া হ'ল। ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীৰ দিনা জন্মভূমিৰ মুক্তিৰ বাবে ফাঁচীকাঠত প্ৰান আহুতি দিলে মনিৰাম দত্তবৰুৱাই আৰু পিয়লি বৰুৱাই।

সামৰণি :-

দেশ স্বাধীনৰ বাবে বিদ্ৰোহৰ অগ্নি জ্বলাই মনিৰাম দেৱান শ্বহীদ হ'ল। মনিৰাম দেৱান ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ প্ৰথম শ্বহীদ। জীৱনৰ প্ৰথম সময়ছোৱাত ব্ৰিটিছৰ ঘোৰ সমৰ্থক মনিৰাম দেৱানে পৰৱৰ্তী কালত ব্ৰিটিছৰ আচল চৰিত্ৰৰ উমান পাই ব্ৰিটিছৰ বিৰুদ্ধে সংগ্ৰাম কৰি দেশমাতৃৰ বুকে শ্বহীদ হ'ল। ~~এই মা~~ মনিৰাম দেৱানৰ মৃত্যুৰ ১৬৩ বছৰৰ পাছতো প্ৰতিজন ভাৰতীয়ই তথা অসমীয়াই মনত ৰাখিছে। মনিৰাম দেৱানে কেৱল দেশ-প্ৰেমৰেই নহয় চাহ খেতি কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথো অসমীয়াক প্ৰদৰ্শন কৰি থৈ গ'ল।

॥ শ্বহীদ প্ৰণামো তোমাক ॥

— x — x —

Name: Susmita Nath
Branch: CSE
Semester: 2nd
Dhemaji Engineering College.